লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ৩; জুলাই-ডিচেম্বৰ, ২০২১

# পুঁজিবাদ

✍ স্তুতি বন্দনা বৰকাকতী

-এ মাই জৰ দে ...জৰ দে এ মাই

সাত মাহ সৰকি কোনোমতে আঠমাহত সোমাওঁতে পেটৰ তলৰ আধা অংশ ওলাই থকা অকণমান শৰীৰটোক সম্পূৰ্ণকৈ উলিয়াই আনিবলৈ লচমী বাইটীয়ে মিনুক বল দিবলৈ চিঞৰি আছে অহৰহ...। মিনুৰ গগন ফলা চিঞৰ। বিন্দু বিন্দু ঘামৰ কণিকাৰে এনে লাগিছে যেন এইমাত্ৰ এজাক মুষলধাৰ বৰষুণে আহি তাইক জুৰুলি জুপুৰি কৰিলে। পৰাজিত যোদ্ধাৰ দৰে অৱস্থা। ভাগৰত লেবেজান। দুৱাৰ-খিৰিকী বন্ধ কোঠাটোত মাটিত ছটফটাই থকা মিনুৰ সৈতে দৃশ্যটো যুদ্ধক্ষেত্ৰতকৈ কোনো গুণে কম নহয়।

--"জৰ নিদলে চানা কাহাসে হবেক এ মাই।" লচমী বাইটীয়ে সাহস দি আছে।

এক ঘন্টামান যুঁজ বাগৰৰ পাছত মিনুৰ এটি সন্তান জন্ম হ'ল। সাৰসুৰ থকা শৰীৰ এটি। মিনুৰ বেহুচ দেহাটোত তেল-টেঙা এসোপা থাপি দি কাষৰ ঘৰৰ চেনাইৰ ঘৈণীয়েকে বিচি আছে। লচমী বাইটীয়ে কেঁচুৱাটোক জোকাৰি কন্দুৱাবলৈ চেষ্টা কৰি থকাৰ সময়তে এমা ডিমা এমখাই মিনুক চিঞৰিছে-- এ মাই খাতে দে।

মিনুৰ গিৰিয়েক বিষ্ণু ওৰাং টুচু পৰৱত নাচিবলৈ কালিয়েই ঘৰৰ পৰা ওলাই গ'ল। গা-ভাৰী মানুহজনীৰ কাষত থাকিবলৈ তাৰ আগ্ৰহ নাই।

দুই নম্বৰ লাইনৰ নৰেশ উধাতু খাই মিনুৰ ঘৰৰ ফালে আহিছে। “মিনু দিদি, এ মিনু দিদি”। লচমী বাইটিকে সন্মুখত পাই নৰেশে তাইক ক’লে—“দুই নম্বৰ লাইন মে হাৰিয়া মে বিছ দিলে ৰহে। বিষ্ণু কাই বহু ৰাতি ছে হাৰিয়াৰ ভাটি মে বথি ৰহে, এখানে ছটফটাই আহে।”

লচমী বায়ে বুকুৰ কেঁচুৱাটোক হেঁচি ধৰিলে। কেঁচুৱাটোৱে কেৰমেৰাই কান্দি উঠিল।

**যোগাযোগৰ ঠিকনা:**

মোবাইল: ৮৬৩৮৪৭৮৫৭০